**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-07-2025 **Time :** 07-55 Hrs.

# Assamese Morning Bulletin

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নুমলিগড় শোধনাগাৰত অসম বায়' ইথানল প্ৰাইভেট লিমিটেডৰ উদ্যোগত বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা প্ৰকল্পটো পৰিদৰ্শন কৰে। ড০ শৰ্মাই লগতে শোধনাগাৰত কৰ্মৰত আৰাসীসকলৰ বাবে ধনশিৰি নগৰ নামৰ নৱ নিৰ্মিত টাউনশ্বিপখনো উদ্বোধন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত নুমলিগড় শোধনাগাৰ প্ৰাঙ্গনতে মন্ত্ৰী, সাংসদ, বিধায়ক আৰু উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা দেশৰ ভিতৰতে প্ৰথমটো প্ৰকল্পৰ উদ্বোধন আৰু নুমলিগড় শোধনাগাৰৰ পৰিৱৰ্তিত প্ৰকল্পসমূহৰ বিষয়ত আলোচনা কৰা হয়। বৈঠকত লগতে অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভতো আলোচনা কৰা হয়। ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিবলগীয়া নুমলিগড়ৰ ইথানল প্ৰস্তুতকাৰী প্ৰকল্পৰ সফলতাই ৰাজ্যখনত অনাগত দিনত এনে ধৰণৰ বহু উদ্যোগ স্থাপনৰ বাট মুকলি কৰিব। দ্বিতীয় এডভাণ্টেজ আচামত নুমলিগড় শোধনাগাৰ লিমিটেডে ৰাজ্যখনৰ কেইবাটাও স্থানত নতুন উদ্যোগ স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ ভিতৰত কামৰূপত ৬৫০ কোটি টকা ব্যয় সাপেক্ষে এটা প্ৰকল্প ৰূপায়ণ কৰা হ'ব।

ড০ শৰ্মাই ইয়াৰ পূৰ্বে বোকাখাট সমজিলাৰ আৰৰ্ত ভৱনত কিছুদিন পূৰ্বে গোলাঘাট জিলাৰ পানবাৰীৰ কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ শিবিৰত গ্ৰেনেড বিস্ফোৰণত আঘাটপ্ৰাপ্ত ৩ গৰাকী জোৱানক সাক্ষাৎ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে।

০০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত কালি পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকখনত বিগত মাহত সংঘটিত দুৰ্ঘটনাসমূহৰ কাৰণবোৰ বিতংকৈ পৰ্যালোচনা কৰাৰ লগতে পথ দুৰ্ঘটনা ৰোধৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ সন্দৰ্ভত আলোচনা কৰা হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে পথ সুৰক্ষা সম্বন্ধীয় নীতি-নিৰ্দেশনাসমূহ জিলাখনত কঠোৰভাৱে বলৱৎ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। ডিব্ৰুগড় পৌৰনিগমৰ আয়ুক্ত জয় বিকাশ, অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, অতিৰিক্ত আৰক্ষী অধীক্ষক অতুল কুমাৰকে ধৰি লোকনিৰ্মাণ, শিক্ষা, যান-বাহন শাখা, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আদি বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

অসমীয়া সাহিত্য-সংস্কৃতিলৈ উল্লেখনীয় বৰঙণি আগবঢ়োৱা নামৰূপ শাখা সাহিত্য সভাৰ নৱনিৰ্মিত ভৱন কালি সাংসদ ৰামেশ্বৰ তেলী আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈয়ে উদ্বোধন কৰে। এই নৱনিৰ্মিত ভৱনে অনাগত সময়ত সাহিত্য, সংস্কৃতি তথা সমাজৰ উন্নয়নৰ হকে কৰা কাম-কাজসমূহ আগবঢ়াই নিয়াত বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

শ্ৰোতাৰ আদৰৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৭৮ বছৰত ভৰি দিছে। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি পুৱা চাৰে ৯ বজাত বিভাগটোৰ লবীত কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ স্থাপন কৰিব। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন আজি আনুষ্ঠানিকভাৱে অনাবৰণ কৰা হ'ব। অষ্ট সপ্ততিতম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰবিষয়ক কুইজৰ বিজয়ীসকলৰ লগতে ভালেকেইগৰাকী প্ৰাক্তন সতীৰ্থৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব।

আজি সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। প্ৰতিষ্ঠা দিৱসৰ প্ৰাক্ সন্ধিয়া আকাশবাণী গুৱাহাটীৰ কক্ষসমূহৰ দুৱাৰমুখ কালি ৰং-বিৰঙী বেলুনেৰে সজাই তোলাৰ লগতে সন্ধিয়ালৈ আলোকসজ্জাৰ ব্যৱস্থা কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ প্ৰাচীৰ পত্ৰিকা **আকাশী স্পন্দন**ৰ ষষ্ঠ বৰ্ষৰ একাদশ সংখ্যা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হ'ব। **আকাশী স্পন্দন**ৰ এইবাৰৰ সংখ্যা গণশিল্পী দিলীপ শৰ্মাৰ জন্ম শতবৰ্ষ বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হ'ব। আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিবিধ ভাৰতী শাখাত অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ পুনৰ আৰম্ভ কৰিব। ইয়াৰ উপৰিও আজিৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰই সাদিনীয়া নাট মহোৎসৱৰ আয়োজন কৰিছে। নাট শৃংখলাত আজি সূৰ্যৰ পৰিচালনাত ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ **ৰাৱন** শীৰ্ষক নাটকখন প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত আয়োজন কৰা **ওপজা দিনৰ সুবাস** অনুষ্ঠানটো ইয়াৰ মহাবাহু শাখাত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই পোনপটীয়াকৈ প্ৰচাৰৰ বাবে আমাৰ আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি সন্ধিয়া ৬ বাজি ২০ মিনিটত প্ৰচাৰিত হ'ব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ বিশেষভাৱে সক্ষম ব্যক্তি বিভাগে তিনিটা শাখাত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ কাৰণে নিৰ্ধাৰিত বৃত্তিৰ বাবে আবেদন বিচাৰিছে। এই আবেদন ৰাষ্ট্ৰীয় বৃত্তি পৰ্টেল www.scholarship.gov.in ত জমা দিব লাগিব। আবেদনকাৰী ছাত্ৰ-ছাত্ৰীৰ ৪০ শতাংশ শাৰীৰিক অক্ষমতাৰ প্ৰমাণ পত্ৰ থকাৰ লগতে বাৰ্ষিক আয় আঢ়ৈ লাখ টকাতকৈ কম হ'ব লাগিব। প্ৰাৰ্থীৰ আধাৰ নম্বৰ অথবা পিতৃ-মাতৃৰ বেংক একাউণ্ট থাকিব লাগিব। দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ আগত পাবলগীয়া বৃত্তিৰ ক্ষেত্ৰত ৩১ আগষ্টৰ ভিতৰত আৰু দশম শ্ৰেণীৰ পৰৱৰ্তী বৃত্তিৰ ক্ষেত্ৰত ৩১ অক্টোবৰৰ ভিতৰত অনলাইন আবেদন দাখিল কৰিব লাগিব।

০০০০০০০

**সমাপ্ত**